**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————

চৰকাৰে বিদ্যুৎৰ বৰ্ধিত চাহিদালৈ চাই ৰাজ্যৰ শক্তিখণ্ডত অধিক গুৰুত্ব প্ৰদান কৰিছে। ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত চাপৰ ৰাজহ চক্ৰৰ অধীনৰ চিৰাকুটা চাৰুৰা বকৰাত স্থাপন কৰিবলগীয়া প্ৰস্তাৱিত তাপ শক্তি প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে চাহিদা অনুপাতে বিদ্যুৎ যোগানৰ বিকল্প ব্যৱস্থা সাজু কৰি তোলাটো জৰুৰী হৈ পৰিছে। তেওঁ কয়, যে বিলাসীপাৰাৰ প্ৰস্তাৱিত ৩ হাজাৰ ৪০০ মেগাৱাট শক্তিসম্পন্ন তাপ বিদ্যুৎ কেন্দ্ৰটোৱে অসমৰ বিকাশ শক্তিশালী কৰাত সহায় কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই উদ্যোগটো কাৰ্যক্ষম হ'লে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কেইবাহাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি মন্তব্য কৰে। প্ৰস্তাৱিত স্থানত বিধিগতভাৱে বাস কৰা লোকসকলক পৰ্যাপ্ত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন প্ৰদান কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে ৩ হাজাৰ ৩০০ বিঘাৰো অধিক ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া প্ৰকল্পটোৰ আন্তগাথনিমূলক প্ৰয়োজনীতা সন্দৰ্ভতো পৰ্যালোচনা কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডং ৰবি কোটাও উপস্থিত থাকে। ০০০০

০০০০০০

শিৱসাগৰৰ ভটিয়াপাৰত থকা ১৪৭ নম্বৰ তৈলখাদত অ'এনজিচিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত কুপ নিয়ন্ত্ৰণ অভিযানত কৌশলগত অগ্ৰগতি লাভ কৰিছে। বিশেষজ্ঞসকলে ৮০ মিটাৰ দৈৰ্ঘ্যৰ বুম সম্পন্ন দুশ টনৰ ক্ৰেন এখন স্থাপন কৰিবলৈ সমৰ্থ হৈছে। কুপ কেপিং অৰ্থাৎ তৈলখাদটো স্থায়ীভাৱে বন্ধ কৰাৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ অগ্ৰগতি হিচাপে বিবেচিত হৈছে। তৈলখাদটোত হোৱা গেছ নিৰ্গমন অহা দুই-এদিনৰ ভিতৰতে সম্পূৰ্ণকৈ নিয়ন্ত্ৰিত হোৱাৰ আশা কৰা গৈছে।

০০০০০০

প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে তেল আৰু প্ৰাকৃতিক গেছ লিমিটেড চমুকৈ অ' এন জি চিক পৰিবেশ আইন ভংগ কৰাৰ বাবে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। অ' এন জি চিৰ খননক্ষেত্ৰত প্ৰয়োজনীয় অনুমতি নোলোৱাকৈ খনন কাৰ্য আৰম্ভ কৰাৰ বাবে হোৱা অনিয়ন্ত্ৰিত গেছ নিৰ্গমন অভিযোগত বোৰ্ডে এই জাননী জাৰি কৰিছে। পৰিবেশ নিয়ন্ত্ৰণ বোৰ্ডে জাৰি কৰা এটা নিৰ্দেশত উল্লেখ থকা মতে, অ' এন জি চিয়ে পানী সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন ১৯৭৪ বায়ু সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন ১৯৮১ আৰু বিপদজনক তথা আন বিষাক্ত পেলনীয়া সামগ্ৰী নিষ্কাষণ নীতি ২০১৬ক ভংগ কৰাৰ অভিযোগত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

০০০০০০

গোলাঘাট জিলাৰ বোকাখাতৰ পাণবাৰী চি আৰ পি এফ শিবিৰত যোৱানিশা সংঘটিত এটা গ্ৰেণেড বিস্ফোৰণত অসম আৰক্ষীৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত হয়। এখন চলন্ত বাইকৰ পৰা কোনো দুৰ্বৃত্তই

চি আৰ পি এফৰ শিবিৰলৈ লক্ষ্য কৰি গ্ৰেণেড দলিয়াই থৈ যায় বুলি আৰক্ষীৰ উদ্ধৃতিৰে আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। আহত জোৱানকেইজন হৈছে – সিদ্ধাৰ্থ বৰবৰা, সুশীল ভূমিজ আৰু মিণ্টু হাজৰিকা। তেওঁলোকক শীঘ্ৰেই বোকাখাতৰ শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উল্লেখযোগ্য যে কাৰ্বিআংলঙত কে পি এল টি আৰু কে এন ভি উগ্ৰপন্থীৰ সন্ত্ৰাসৰ পৰিপ্ৰেক্ষিতত বহুবছৰ পূৰ্বে গোলাঘাট আৰু কাৰ্বি আংলং জিলাৰ সীমান্তৰ পাণবাৰীত এই চি আৰ পি এফৰ শিবিৰটো স্থাপন কৰা হৈছিল। কিন্তু বৰ্তমান কাৰ্বি উগ্ৰপন্থীৰ সন্ত্ৰাস নাইকিয়া হোৱাত শিবিৰটোৰ গুৰুত্বও হ্ৰাস পাইছিল। শেহতীয়াকৈ এই শিবিৰত কিছুসংখ্যক চি আৰ পি এফ আৰু অসম আৰক্ষীৰ জোৱানক ৰখা হৈছিল। গ্ৰেণেড বিস্ফোৰণৰ পাছতেই আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

০০০০০০

অৰুণাচল প্ৰদেশৰ উৎস অঞ্চলত হৈ থকা বৰষুণৰ বাবে ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ জলাধাৰৰ পানী উচ্চতম সীমা অতিক্ৰম কৰিছে। নীপকোৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ লখিমপুৰৰ সংবাদদাতাই জনোৱা মতে ইয়াজুলিত থকা ৰঙানদীৰ প্ৰকল্পৰ নিয়ন্ত্ৰণ কক্ষই ৰঙানদী প্ৰকল্পৰ এক নম্বৰ দুৱাৰ খুলি দিছে। ইয়াৰ ফলত ৰঙানদীৰ নামনি অংশৰ লখিমপুৰ জিলাৰ ভালেমান ঠাই প্লাৱিত হোৱাৰ আশংকা আছে।

০০০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ আৰু লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত কালি লখিমপুৰ জিলা ক্ৰীড়া সন্থালৈ খেলৰ সামগ্ৰী আৰু আৰ্থিক সাহায্য বিতৰণ কৰা হয়। জিলাখনৰ আৱৰ্ত ভৱনত হোৱা এই সামগ্ৰী বিতৰণ অনুষ্ঠানত বিধায়ক মানৱ ডেকাই অংশগ্ৰহণ কৰি অঞ্চলটোৰ যুৱ চামক খেল আৰু শৰীৰ চৰ্চাৰ প্ৰতি উৎসাহ দি ভৱিষ্যতে বিভিন্ন প্ৰতিযোগিতাৰ বাবে সাজু কৰাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানত জিলা আয়ুক্ত, উপ-পৌৰপতি, বিজেপিৰ লখিমপুৰ জিলাৰ সভাপতি আৰু ভালেমান লোক উপস্থিত থাকে।

০০০০০০

লখিমপুৰৰ নাৰায়ণপুৰৰ জৰাবাৰীত কালি বিজেপিৰ পূব-পশ্চিম আৰু বিহপুৰীয়া মণ্ডলৰ উদ্যোগত সামাজিক মাধ্যম আৰু তথ্য প্ৰযুক্তি বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। ৭১ নম্বৰ বিহপুৰীয়া বিধানসভা সমষ্টি ভিত্তিক এই কৰ্মশালাত বিধায়ক ড০ অমিয় কুমাৰ ভূঞা, মানৱ ডেকা, বিজেপিৰ লখিমপুৰ জিলা সভাপতি শ্যামল শৰ্মাৰ লগতে ভালেসংখ্যক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

০০০০০০

৫৯ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতাত মণিপুৰৰ ফুটবল ফ'ৰ চেইঞ্জ দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত মণিপুৰ ফুটবল ক্লাবে যোৰহাট টাউন ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলখনৰ ৮ মিনিটতে মণিপুৰে ১-০ৰ অগ্ৰগতি লাভ কৰে।

০০০০০০

সমাপ্ত